# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-06-2024
**Time :** 18-00 Hrs

***Assamese Evening Bulletin***

**- - - - - - - - - - - - - - -**

অসম চৰকাৰে মাদক দ্ৰব্যৰ বিৰুদ্ধে গ্ৰহণ কৰা কঠোৰ স্থিতি অক্ষুণ্ণ ৰাখি ২হেজাৰ ১০০ কোটিতকৈও অধিক টকা মূল্যৰ মাদক দ্ৰব্য জব্দ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি আন্তঃৰাষ্ট্ৰীয় মাদক দ্ৰব্য আৰু নিচাযুক্ত সামগ্ৰী সৰবৰাহ বিৰোধী দিৱসৰ পৰিপ্ৰেক্ষিতত এই কথা উল্লেখ কৰি কয় যে ৰাজ্যখন মাদক দ্ৰব্য মুক্ত কৰাৰ দিশত চৰকাৰে লক্ষ্য স্থিৰ কৰিছে। ভৱিষ্যতৰ অসমখনক যাতে নতুন প্ৰজন্মই মাদক দ্ৰব্যৰ আসক্তিৰ পৰা মুক্ত হৈ সুস্থ জীৱন লাভ কৰিব পাৰে তাৰ বাবে এই প্ৰচেষ্টা লোৱা হৈছে বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰচেষ্টাৰ দ্বাৰা অসমক মাদক দ্ৰব্য মুক্ত কৰাই নহয় সমগ্ৰ দেশক মাদক দ্ৰব্যৰ পৰা মুক্ত কৰিবলৈ বৃহৎ প্ৰচেষ্টাত অৰিহণা যোগোৱা হ'ব।

ইফালে, আৰক্ষীৰ বিশেষ ট্ৰাষ্ট ফৰ্চ আৰু কাছাৰ আৰক্ষীয়ে শিলচৰত এখন বাহনৰ পৰা ৯ গ্ৰাম হেৰ'ইন জব্দ কৰিছে। জব্দ কৰা হেৰ'ইনখিনিৰ মূল্য চাৰে ৪ লাখ টকাৰো অধিক হ'ব বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

oooooooo

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিবেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ ৯৭১৬৬-৮০৯৬৯ আৰু ৯৬১৯৬-৮৬৬৫৯ নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। অডিঅ' প্ৰেৰণৰ অন্তিম দিন ২৮ জুনৰ সন্ধিয়া ৭ বজা ধাৰ্য কৰা হৈছে। নিৰ্বাচিত তিনিগৰাকী প্ৰতিযোগীক অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

আকাশবাণী গুৱাহাটীয়ে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি শ্ৰোতাসকলক তেওঁলোকৰ পুৰণি ৰেডিঅ' ছেট আনৰ আগতো প্ৰদৰ্শন কৰাৰ সুযোগ দিব বিচাৰিছে। এই সুযোগ গ্ৰহণ কৰাৰ বাবে কমেও ৩০ বছৰ পুৰণি আপোনাৰ ৰেডিঅ'টিৰ এখন ফটো, গৰাকীৰ নাম, ক্ৰয় কৰাৰ বৰ্ষ আৰু যোগাযোগৰ নম্বৰসহ 60035-40566 WHATSAPP নম্বৰ আৰু AIRGHY@GMAIL.COM ই-মেইল আইডি লৈ ২৮ জুনৰ পূৰ্বে পোৱাকৈ পঠিয়াব পাৰে। নিৰ্বাচিত তিনিগৰাকী অংশগ্ৰহণকাৰীক পুৰস্কৃত কৰা হ'ব।

oooooooo

বানৰ সময়ত ল'বলগীয়া সাৱধানতা সম্পৰ্কে ৰাইজক সজাগ কৰাৰ লক্ষ্যৰে তিনিচুকীয়াত জিলা প্ৰশাসনৰ উদ্যোগত এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। বান বিধবস্ত অঞ্চল ধলা হাতীঘুলি উচ্চ মাধ্যমিক বিদ্যালয়ত আয়োজিত এই কাৰ্যসূচীত বানৰ আগত, বানৰ সময়ত আৰু বানৰ পিছত ল'বলগীয়া সাৱধানতা সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষণত উপস্থিত থকা সমল ব্যক্তিসকলে দুৰ্যোগৰ সময়ত ল'বলগীয়া সাৱধানতা, উদ্ধাৰ কাৰ্য সন্দৰ্ভতো ব্যাখ্যা আগবঢ়ায়।

০০০০০০০০

ৰাজ্য চৰকাৰে সেউজ অসম গঢ়াৰ লক্ষ্যৰে আৰম্ভ কৰা অমৃত বৃক্ষ আন্দোলনৰ অংশ হিচাপে শিৱসাগৰ জিলাত ৯লাখ গছপুলি বিতৰণ কৰা হ'ব। উল্লেখযোগ্য যে ৰাজ্যত বিগত বৰ্ষত এই কাৰ্যসূচীৰ অধীনত সমগ্ৰ ৰাজ্যতে কেইবা লাখ গছপুলি ৰোপণ কৰা হৈছিল। ৰাজ্যত প্ৰকৃতি সুৰক্ষাৰ লগতে বৃক্ষ অৰ্থনীতিৰ উৎকৰ্ষ সাধনৰ লক্ষ্যৰে অহা জুলাই মাহত এই কাৰ্যসূচীৰ অধীনত শিৱসাগৰ জিলাকে ধৰি সমগ্ৰ ৰাজ্যতে প্ৰায় ৪ কোটি বাণিজ্যিক চাহিদা সম্পন্ন গছপুলি ৰোপন কৰাৰ পদক্ষেপ লোৱা হৈছে। ইয়াৰ অংশ হিচাপে শিৱসাগৰ বন সংমণ্ডলৰ অধীনত আৰু কুকুৰাচোৱা সোমদাৰ সামাজিক বনানীকৰণ খণ্ড বন কাৰ্যালয়ৰ তত্বাৱধানত ৫ হেক্টৰ ভূমিত বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপন কৰা হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০০

মাজুলি জিলাত কৃষি বিভাগৰ বিভিন্ন আঁচনিৰ পৰিদৰ্শনৰ বাবে অসম কৃষি সঞ্চালকালয়ৰ এটা দলে আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে মাজুলি ভ্ৰমণ কৰিছে। দলটোৱে এই ভ্ৰমণকালত কৃষি বিভাগৰ কাৰ্যালয় পৰিদৰ্শন কৰাৰ লগতে কৃষক উৎপাদক কোম্পানীৰ কাৰ্যালয় পৰিদৰ্শন কৰে। ইয়াৰ লগতে জিলাখনৰ কৃষকৰ কৃষি পদ্ধতিৰ মূল্যাংকন কৰাৰ উপৰি বিভিন্ন প্ৰান্তত অব্যাহত থকা আঁচনিসমূহৰ ৰূপায়নৰ অগ্ৰগতিৰ বুজ লয়।

০০০০০০০০

যোৰহাট জিলা আৰক্ষীয়ে আজি সদৰ আৰক্ষী চাউনীত্ৰ জিলাখনৰ যানবাহন শাখাৰ আৰক্ষীসকলৰ বাবে বিশেষ চকু পৰীক্ষা শিবিৰৰ আয়োজন কৰে। জিলা আৰক্ষী অধীক্ষকৰ উদ্যোগ আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চকু ৰোগ বিভাগৰ সহযোগত আয়োজিত এই কাৰ্যসূচীত ভালেমান আৰক্ষীৰ চকু পৰীক্ষা কৰা হয়। ইফালে, অস্ত্ৰোপচাৰ প্ৰয়োজন হোৱা আৰক্ষীসকলক যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়।

০০০০০০০০

লখিমপুৰ জিলা প্ৰশাসনৰ অধীনস্থ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ উদ্যোগত তথা উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ ষ্ট্ৰেছ মেনেজমেণ্ট কমিটী, ওমেন চেল তথা ৱানষ্টপ চেণ্টাৰৰ সহযোগত মহিলা আৰু শিশুৰ বাবে থকা বিভিন্ন কল্যাণকামী আঁচনি সামৰি এশ দিনীয়া সজাগতা কাৰ্যসূচী হাতত লোৱা হৈছে।

০০০০০০০০

**সমাপ্ত**